BU/EX/PG/SEM-1/1.02

2015

# ASSAMESE

Paper : 1.02

# INTRODUCTION TO THE CULTURE OF ASSAM AND NORTH-EAST INDIA

Full Marks : 80

Time : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা ঃ ১ × ১০ = ১০

(ক) ৰেডফিল্ডৰ মতে গঞা সাংস্কৃতিক (Rural Culture) মানৱ সংস্কৃতিৰ আদিম আৰু অভিজাত সংস্কৃতিৰ মাজত স্থাপন কৰিব পাৰিনে নোৱাৰি?

(খ) পৰম্পৰাৰ ভাগ কেইটা কি কি?

(গ) 'সংস্কৃতি সামাজিক উত্তৰাধিকাৰ মাথোন' — কথাষাৰি কোনে কৈছিল?

(ঘ) 'কালিকা পুৰাণ' কোন শতিকাত ৰচনা কৰা বুলি অনুমান কৰা হৈছে?

(ঙ) এছ. এছ. সৰকাৰে ভাৰতীয় মানুহক কেইটা ভাগত বিভক্ত কৰিছে?

(চ) অসমীয়া সংস্কৃতিত 'কুকুৰা কাটি মঙল চোৱা প্ৰথা' কোনটো নৃগোষ্ঠীৰ লগত জড়িত?

(ছ) তাই- আহোমসকল কোনটো নৃগোষ্ঠীৰ অন্তৰ্গত?

(জ) 'চমাংকান' উৎসৱ কোনটো জনগোষ্ঠীৰ লগত জড়িত?

(ঝ) আহোম যুগৰ স্থাপত্য শিল্পৰ এটি চানেকী উল্লেখ কৰা।

(ঞ) মণিপুৰৰ মেইতেই সকলে পালন কৰা এটি উৎসৱৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা ঃ ২ × ৫ = ১০

(i) সংস্কৃতিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ii) মিছিংসকলে নিজকে কি বুলি পৰিচয় দি ভাল পায়?

(iii) তেজপুৰৰ দ-পৰ্বতীয় মন্দিৰটো কোনে কিমান চনত নিৰ্মাণ কৰিছিল?

(iv) আহোম যুগত নিৰ্মিত দুটা বিখ্যাত স্থাপত্যৰ নাম লিখা।

৩। চমুটোকা লিখা (যিকোনো দুটা) ৫ × ২ = ১০

(ক) উৰ্বৰা বিশ্বাস আৰু বিহু

(খ) যতৰ/মাল/শালকাঠি

(গ) চকলং বিবাহ

(ঘ) বাঁশ পূজা

৪। সংস্কৃতি বিশ্বজনিন ব্যাপাৰ বুলি কোৱাৰ কাৰণ কি বুজাই লিখা। ৭

নাইবা

লোক জীৱন কাক বোলে? লোক জীৱন পৰিসৰে কি কি ক্ষেত্ৰ সামৰে? প্ৰত্যেকটো ক্ষেত্ৰৰ বিষয়ে আলোচনা কৰা। ১+২+৪=৭

৫। মংগোলীয় সংস্কৃতিৰ সাধাৰণ বৈশিষ্ট্যবোৰ কি কি? অসমৰ জনজাতি সকলৰ মাজত এনে লক্ষণসমূহ কেনেদৰে পৰিলক্ষিত হয় আলোচনা কৰা। ৩+৪=৭

নাইবা

অসমীয়া মানুহৰ খাদ্য তালিকাত জনজাতীয় খাদ্যৰ প্ৰভাৱ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।



৬। কোনো কোনো সমাজ দাৰ্শনিকৰ মতে সামাজিক সৌন্দৰ্য আৰু মাধুৰ্যই সংস্কৃতি। এই সন্দৰ্ভত তোমাৰ মতামত প্ৰকাশ কৰি এটি আলোচনা যুগুত কৰা। ১২

৭। অসমৰ যিকোনো এটা জনজাতিৰ চমু পৰিচয় দাঙি ধৰি তেওঁলোকে উদ্‌যাপন কৰা উৎসৱ-পাৰ্বণ আৰু নৃত্য-গীতৰ বিষয়ে এটি টোকা লিখা। ১২

৮। অসমৰ মঠ-মন্দিৰৰ স্থাপত্য আৰু মূৰ্তিকলাৰ বিষয়ে এটি সমীক্ষামূলক নিবন্ধ যুগুত কৰা। ১২

৯। অসমৰ ভাস্কৰ্য বা অসমীয়া পুথিচিত্ৰৰ বিষয়ে আলোচনা কৰা। ১২

১০। উত্তৰ-পূৰ্বাঞ্চলৰ অধিবাসী সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ১২

—— × ——